**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক হৰ ঘৰ তিৰংগা অভিযানত উদ্যমেৰে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

২। ভাৰতে অজীৱাশ্ম ইন্ধনভিত্তিক স্থাপন কৰা বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত ৩০০ গিগাৱাট ক্ষমতা অতিক্ৰম কৰিছে।

৩। অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১০ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে।

৪। প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীৰ বাসগৃহত কমনৱেল্‌থ গেমছ ২০২৬ৰ পদকজয়ী সকলৰ সৈতে মত বিনিময় কৰে। ***আৰু***

৫। এছিয়ান জুনিয়ৰ ভাৰোত্তোলন চেম্পিয়নশ্বিপত পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত ভাৰতৰ মহাৰাজন অৰুমুগাপাণ্ডিয়ানে ৰূপৰ পদক জয় কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক হৰ ঘৰ তিৰংগা অভিযানত উদ্যমেৰে অংশগ্ৰহণ কৰি বিকশিত ভাৰত নিৰ্মাণত অৱদান আগবঢ়োৱাৰ সামূহিক সিদ্ধান্তক অধিক দৃঢ় কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ত্ৰিৰংগ পতাকাখন হৈছে দেশৰ গৌৰৱ আৰু দেশৰ বাবে সৰ্বোত্তম সেৱা আগবঢ়োৱাৰ বাবে নিৰৱছিন্ন প্ৰেৰণাৰ উৎস। সংস্কৃতি মন্ত্ৰালয়ে কয়, যে চলিত বৰ্ষৰ হৰ ঘৰ তিৰংগা অভিযানে তিৰংগা যাত্ৰা, তিৰংগা সমদল, তিৰংগা সংগীতানুষ্ঠান আৰু সমবেত কণ্ঠত বন্দে মাতৰম পৰিৱেশনৰ জৰিয়তে দেশপ্ৰেমৰ ধাৰণাক পথ তথা ঘৰলৈ প্ৰসাৰিত কৰিব। এইবাৰ বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ ফলত নাগৰিকসকলক স্বাধীনতা দিৱসৰ অংশ হিচাপে ৰাষ্ট্ৰীয় গীতক উদযাপনৰ সুযোগো প্ৰদান কৰিব বুলি মন্ত্ৰালয়ে উল্লেখ কৰে। এই বছৰ এই অভিযানৰ অন্যতম আকৰ্ষণ হৈছে— **সূৰ্যপথ তিৰংগা**। এই পদক্ষেপৰ জৰিয়তে প্ৰথমবাৰৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা ভাৰতীয়সকলক একেলগে তিৰংগাৰ গোলকীয় উদযাপনত অংশ লোৱাৰ সুযোগ প্ৰদানৰ লক্ষ্য লোৱা হৈছে। মন্ত্ৰালয়ে সকলো নাগৰিকক নিজৰ নিজৰ ঘৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আৰু তেওঁলোকৰ ছেল্ফি হৰ ঘৰ তিৰংগা ৱেবছাইটত আপলোড কৰিবলৈ আহ্বান জনাইছে।

উল্লেখযোগ্য যে দেশৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা হৰ ঘৰ তিৰংগা অভিযান আৰম্ভ হৈছে। মহাৰাষ্ট্ৰৰ বিভিন্ন জিলাত হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে কালি তিৰংগা সমদল আৰু স্বাধীনতা দিৱসৰ পূৰ্বে কাৰ্যসূচী উলিওৱা হয়।

জম্মু-কাশ্মীৰৰ আটাইকেইখন জিলাতে এই অভিযানৰ সৈতে সংগতি ৰাখি তিংৰগা সমদল, প্ৰদৰ্শনী, সাংস্কৃতিক কাৰ্যসূচী আৰু বিভিন্ন প্ৰতিযোগিতাৰ লগতে সমবেতভাৱে বন্দে মাতৰম পৰিৱেশন কৰা হয়।

কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ জিলা মুখ্য কাৰ্যালয়, মহকুমা, তেহচিল, খণ্ড আৰু পঞ্চায়ত পৰ্যায়ত জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ দেখিবলৈ পোৱা যায়।

মণিপুৰতো এই অভিযান উপলক্ষে ঘৰে ঘৰে ত্ৰিৰংগ পতাকা উত্তোলন কৰা হ'ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দে এই অভিযানত অংশ লৈ জনসাধাৰণক প্ৰথমে নিজক ভাৰতীয় হিচাপে আৰু ইয়াৰ পাছতহে এজন মণিপুৰী হিচাপে ভাবিবলৈ আহ্বান জনায়। হৰ ঘৰ তিৰংগা উপলক্ষে উলিওৱা সমদলত কালি বিজেপিৰ নেতা অজিত গোপাচাৰে, ৰাজ্যসভাৰ সাংসদ এ সাৰ্দা, বিধায়ক কে জয় কিষাণ আৰু ৰাধেশ্যামকে ধৰি দলীয় কৰ্মীসকলে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে ১৭ আগষ্টত এই অভিযানৰ সামৰণি পৰিব। এই অভিযানৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা উত্তোলন তথা দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উদযাপনত অংশ লোৱাৰ বাবে দেশৰ নাগৰিকসকলক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই বছৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে হৰ ঘৰ তিৰংগা অভিযানে বিশেষ গুৰুত্ব বহন কৰিছে।

ooooo

ভাৰতে অজীৱাশ্ম ইন্ধনভিত্তিক স্থাপন কৰা বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত ৩০০ গিগাৱাট ক্ষমতা অতিক্ৰম কৰিছে।

ooooo

অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১০ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৫৬ খন গাঁৱৰ ১ লাখ ৩৭ হাজাৰ ৫৯০ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১১ হাজাৰ ৯৩৩ দশমিক ৪-৬ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ১০০ হৈছেগৈ।

ইপিনে ৰাজ্যখনত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত কালিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ বাসগৃহত কমনৱেল্‌থ গেমছ ২০২৬ৰ পদকজয়ী সকলৰ সৈতে মত বিনিময় কৰে। এই সাক্ষাৎকালত কমনৱেল্থ গেমছৰ বিজেতাসকলে প্ৰধানমন্ত্ৰীক তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে খেলুৱৈসকলৰ প্ৰত্যেকেই তেওঁলোকৰ অনবদ্য প্ৰদৰ্শনৰ জৰিয়তে দেশক গৌৰৱান্বিত কৰিছে আৰু তেওঁলোকৰ সফলতাই বহু যুৱক-যুৱতীক অনুপ্ৰাণিত কৰিব। প্ৰধানমন্ত্ৰীয়ে এটা ভিডিঅ' বাৰ্তা শ্বেয়াৰ কৰি কয়, যে যিসকলে খেলে তেওঁলোকৰ উন্নতি হ'ব। শ্ৰীমোদীয়ে নাগৰিকসকলক সদায়ে ভাৰতৰ বাবে জয়ধ্বনী দিবলৈ আহ্বান জনায়।

**বাইট (পি এম)**

এই সাক্ষাৎকালত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়ছে উপস্থিত থাকে। গ্লাছগ'ত অনুষ্ঠিত চলিত বৰ্ষৰ কমনৱেল্থ গেমছত ১৩টা সোণ, ১৭টা ৰূপ আৰু ৯টা ব্ৰঞ্জসহ মুঠ ৩৯টা পদক জয়েৰে ভাৰত প্ৰতিযোগিতাৰ চতুৰ্থ স্থানত থাকে।

ooooo

মণিপুৰ আৰক্ষীয়ে কালি ৰাজ্য খনৰ বিভিন্ন অঞ্চলত তালাচী অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। ইম্ফল পশ্চিম জিলাৰ অন্তৰ্গত খ'ইৰুম ছাবালত মণিপুৰ আৰক্ষী আৰু অসম ৰাইফলছৰ যৌথ অভিযানৰ সময়ত দলটোৱে ৮টা বন্দুক, এটা - 9mm পিষ্টল, এটা এন্টি-ৰায়ত বন্দুক, আৰু ৪টা হেণ্ড গ্ৰেনেড উদ্ধাৰ কৰে। পূৱ ইম্ফল জিলাৰ মণিপুৰ আৰক্ষীয়েও আন এটা অভিযানত পট্‌ছাংবাম খুনৌত যুদ্ধ সদৃশ অস্ত্ৰভাণ্ডাৰ উদ্ধাৰ কৰে। তালাচী অভিযানত এটা .৩২ পিষ্টল, এটা বেৰেল গান আৰু ২০টা হেণ্ড গ্ৰেনেড উদ্ধাৰ কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰীয়া আৰু এই যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত বৰ্তমানলৈকে ১ কোটি ২৫ লাখৰো অধিক গৃহৰ অনুমোদন জনোৱা হৈছে বুলি গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইতিমধ্যে ১ কোটিৰো অধিক গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি হিতাধিকাৰীসকলক প্ৰদান কৰা হৈছে আৰু প্ৰায় ১ কোটি বাসগৃহ মহিলাৰ নামত আবণ্টন কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত অন্ধ্ৰ প্ৰদেশ, অৰুণাচল প্ৰদেশ, বিহাৰ, ছত্তিশগড়, গুজৰাট, জম্মু-কাশ্মীৰ, ঝাৰখণ্ড, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, ওড়িশা, ৰাজস্থান, তামিলনাডু, তেলেংগানা, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডকে ধৰি ১৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ ২ লাখ ৯ হাজাৰৰো অধিক পৰিয়ালক বাসগৃহ প্ৰদান কৰা হৈছে।

ooooo

ঝাৰখণ্ড আৰক্ষীয়ে ৰাজ্যখনৰ শিক্ষাৰ্থীসকলে আজি আহ্বান জনোৱা 'বিধানসভা মাৰ্চ'ৰ পৰিপ্ৰেক্ষিতত বিধানসভা চৌহদৰ চাৰিওফালে নিষেধাজ্ঞা জাৰি কৰাৰ লগতে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ছাত্ৰ-ছাত্ৰীসকলে বিগত দুসপ্তাহ ধৰি ৰাজ্যখনত নিয়োগ পৰীক্ষাৰ অনিয়মক লৈ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। মুখ্য কাৰ্যালয়ৰ অতিৰিক্ত আৰক্ষী মহাপৰিদৰ্শক মনোজ কৌশিকে ছাত্ৰ-ছাত্ৰীসকলক বিগত দুসপ্তাহত দেখুৱাৰ দৰে শান্তিপূৰ্ণ আৰু শৃংখলিতভাৱে প্ৰতিবাদ কৰিবলৈ আহ্বান জনায়।

ইপিনে ছাত্ৰ প্ৰতিবাদৰ মাজতে ঝাৰখণ্ড লোকসেৱা আয়োগৰ তিনিজন সদস্যই পদত্যাগ কৰিছে। ঝাৰখণ্ড লোকসেৱা আয়োগৰ সদস্য অজিতা ভট্টাচাৰ্য, জামিল আহমেদ আৰু অনিমা হাচদাই ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰক কালি পদত্যাগ পত্ৰ দাখিল কৰে।

ooooo

ৰাছিয়াই কৌশলগতভাৱে গুৰুত্বপূৰ্ণ সামুদ্ৰিক পথৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ ভাৰত মহাসাগৰ আৰু ভাৰতলৈ ৰেলপথ অন্বেষণ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। ৰাছিয়াৰ উপ-প্ৰধানমন্ত্ৰী মৰত খুছনুলিনে কয় যে এই বিকল্প পথ সমূহে হৰমুজ প্ৰণালী আৰু বছফৰাছ প্ৰণালীকে ধৰি কৌশলগত জলপথ দুটাৰ সৈতে জড়িত বিপদসমূহ দূৰ কৰাত সহায় কৰিব পাৰে।

ৰাছিয়াৰ চৰকাৰী সংবাদ সংস্থাৰ অনুসৰি মিষ্টাৰ খুছনুলিনে কয় যে তুৰ্কমেনিস্তান, ইৰাণ আৰু আফগানিস্তানৰ মাজেৰে পাৰ হৈ যোৱা ৰে'লপথসমূহ অন্বেষণ কৰি ভাৰতত প্ৰৱেশৰ সুবিধা প্ৰদান কৰিব পৰা যাব। পশ্চিম এছিয়াত চলি থকা সংঘাতৰ ফলত হৰমুজ প্ৰণালীৰ মাজেৰে জাহাজ চলাচলত ব্যাঘাত জন্মাৰ বাবেই এই প্ৰস্তাৱ আগবঢ়োৱা হৈছে ।

প্ৰস্তাৱিত ৰেলপথে ভূ-ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। কিয়নো ইয়াৰ দ্বাৰা ৰাছিয়াক, মধ্য আৰু দক্ষিণ এছিয়াৰ মাজেৰে ভাৰত মহাসাগৰৰ দিশত বিকল্প সংযোগ প্ৰদান কৰিব পাৰে।

ooooo

উজবেকিস্তানৰ তাস্কেণ্টত অনুষ্ঠিত এছিয়ান জুনিয়ৰ ভাৰোত্তোলন চেম্পিয়নশ্বিপত পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত ভাৰতৰ মহাৰাজন অৰুমুগাপাণ্ডিয়ানে ৰূপৰ পদক জয় কৰিছে। মহাৰাজনে স্নেটছত ১২৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫৭ কিলোগ্ৰাম ভাৰোত্তোলন কৰি ব্যক্তিগত সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে মুঠ ২৮৫ কিলোগ্ৰাম ভাৰোত্তোলন কৰে। ভিয়েটনামৰ হোৱাং থাচে মুঠ ২৯১ কিলোগ্ৰাম ভাৰোত্তোলন কৰি স্বৰ্ণপদক জয় কৰে।

ooooo

সমাপ্ত